# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 18-05-2026 **Time :** 0755 Hrs.

ৰাজ্যত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে অবৈধভাৱে দখলিকৃত ভূমি দখলকাৰীৰ কবলৰ পৰা মুক্ত কৰাৰ বাবে উচ্ছেদ অভিযান পুনৰ আৰম্ভ কৰিছে। বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰত ভূমি দখলমুক্ত কৰাক সৰ্বাধিক অগ্ৰাধিকাৰ দিয়া হৈছিল। যোৱা শনিবাৰে  কামৰূপ জিলাৰ আমিনগাঁও অঞ্চলত প্ৰথমটো উচ্ছেদ অভিযান চলোৱা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে ৰাজ্যত এন ডি এ চৰকাৰৰ তৃতীয়টো কাৰ্যকালত এহেজাৰ ২৫০ বৰ্গ কিলোমিটাৰ ভূমি দখলমুক্ত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ইয়াৰ বাবে ইতিমধ্যে প্ৰাৰম্ভিক প্ৰস্তুতি চলোৱা হৈছে বুলি ড০ শৰ্মাই উল্লেখ কৰে।

০০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শেখৰ জ্যোতি গোস্বামীয়ে দাখিল কৰা জামিন আবেদন সন্দৰ্ভত শুনানি গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত বিশেষ তদন্তকাৰী গোটে বিগত বৰ্ষৰ দুই অক্টোবৰত শিল্পীগৰাকীৰ বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীক গ্ৰেপ্তাৰ কৰিছিল। তেতিয়াৰে পৰা হাফলং উপ-কাৰাগাৰত থকা অভিযুক্তগৰাকী জামিন বিচাৰি বৰ্তমান আদালতৰ দ্বাৰস্থ হৈছে। ফাষ্টট্ৰেক আদালতে ইয়াৰ পূৰ্বে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন নাকচ কৰিছিল। ইয়াৰ পাছত শ্যামকানু মহন্তই জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। ইতিমধ্যে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে শ্যামকানু মহন্তৰ জামিন আবেদনৰ ভিত্তিত অহা ২২ মে'ত গোচৰটোৰ কেছ ডায়েৰী দাখিল কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিছে।

০০০০০০০

নগাঁও জিলাৰ কঠিয়াতলী উন্নয়ন খণ্ডৰ অন্তৰ্গত জুমুৰমুৰ গাঁও পঞ্চায়তে ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ অধীনত দীনদয়াল উপাধ্যায় পঞ্চায়ত নিৰন্তৰ বিকাশ পুৰস্কাৰ আৰু নানাজী দেশমুখ সৰ্বোত্তম পঞ্চায়ত পুৰস্কাৰ লাভ কৰিছে। অহা ৩ জুনত পঞ্চায়তীৰাজ মন্ত্ৰালয়ে নতুন দিল্লীত আয়োজন কৰা অনুষ্ঠানত এই পুৰস্কাৰ প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে এহেজাৰ ২৪৫ টা পৰিয়ালে বসবাস কৰা এই পঞ্চায়তৰ জনসংখ্যা ৬ হাজাৰ ৩২। পঞ্চায়তৰ সভানেত্ৰী উমুমা চাকিনৰ নেতৃত্বত পঞ্চায়তখনে কেতবোৰ লেখত ল'বলগীয়া কাৰ্যসূচী গ্ৰহণ কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে। এই সন্দৰ্ভত গাওঁ পঞ্চায়তৰ সচিব চুংৱাদান নাৰ্জাৰীয়ে এইদৰে কয়।

বাইট

উল্লেখযোগ্য যে, কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ শিতানত দেশৰ বিভিন্ন প্ৰান্তৰ ৪২ খন পঞ্চায়তক বাচনি কৰা হৈছে। অসমৰ শোণিতপুৰ জিলাৰ নিউ নপাম গাঁও পঞ্চায়তে শ্ৰেষ্ঠ গাঁও

পঞ্চায়তৰ নানাজি দেশমুখ সৰ্বোত্তম পঞ্চায়ত নিৰন্তৰ বিকাশ পুৰস্কাৰ লাভ কৰিছে। ডিব্ৰুগড় জিলাৰ হুগ্ৰীজান গাঁও পঞ্চায়তে স্ব-নিৰ্ভৰশীল আন্তঃগাঁথনি শিতানত ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০

লখিমপুৰৰ নাৰায়ণপুৰত থকা শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি কালি বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই অনুসৰি মুকলি সভা আৰু বাৰেৰহনীয়া সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। মাধৱদেৱ কলাক্ষেত্ৰৰ উদ্যোগত অনুষ্ঠিত সত্ৰীয়া কৃষ্টি কৰ্মশালাত অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থীসকলে বৰগীত পৰিৱেশন কৰে। অনুষ্ঠানত বিহপুৰীয়া বিধানসভা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক ভূপেন বৰা, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ অৰূপজ্যোতি চৌধুৰীকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানতে কালি সমাজ জীৱনলৈ অৱদান আগবঢ়োৱা বৃহত্তৰ নাৰায়ণপুৰ-বিহপুৰীয়া অঞ্চলৰ ৪ গৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। তেওঁলোক হৈছে স্বাধীনতা সংগ্ৰামী **নিৰ্মলা গোস্বামী**, সত্ৰীয় শিল্পী **হৰিচৰণ শইকীয়া**, সমাজসেৱক **গোলক হাজৰিকা** আৰু প্ৰাক্তন শিক্ষামন্ত্ৰী **প্ৰেমধৰ বৰা**।

০০০০০০০

শিৱসাগৰ নগৰৰ দৰবাৰ ৰোডৰ ৩ নম্বৰ ৱাৰ্ডত কালি নিশা চোৰে এঘৰ মানুহৰ পৰা লক্ষাধিক টকাৰ সোণৰ গহনা, বহু পৰিমাণৰ নগদ ধন আৰু আন মূল্যৱান সামগ্ৰী লুটি নিয়ে। আব্দুল ৰেকিব নামৰ এজন লোকৰ হাৰ্ডৱেৰ দোকানৰ পৰাও চোৰে প্ৰায় ৪ লাখ ৫০ হাজাৰ টকাৰ নগদ ধন লৈ যোৱা বুলি অভিযোগ উত্থাপিত হৈছে। এই চুৰি কাণ্ডৰ খবৰ পোৱাৰ পাছতে শিৱসাগৰ সদৰ আৰক্ষী থানাৰ এটা দল ঘটনাস্থলীলৈ ৰাওনা হয় আৰু এই দুষ্কাৰ্যৰ সৈতে জড়িত অপৰাধীৰ অনুসন্ধান চলাই আছে।

০০০০০০০

**সমাপ্ত**